অসম বিজ্ঞান লেখক সংস্থা
ASSAM SCIENCE WRITERS' ASSOCIATION

প্ৰথম বছৰ, প্ৰথম সংখ্যা,
জানুৱাৰি-ফেব্ৰুৱাৰি ২০২২

অসম বিজ্ঞান লেখক সংস্থাৰ
দুমহীয়া বৈদ্যুতিন আলোচনী

# সৃষ্টি



ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস



সৰ্পদংশনৰ আধুনিক চিকিৎসা



অৰণ্যৰ সংকট আৰু বিপন্ন জীৱকুল

# অসম বিজ্ঞান লেখক সংস্থাৰ সভাপতিৰ একাষাৰ

'অবিলেস'ৰ সমূহ সদস্যলৈ সাদৰ সম্ভাষণ জনাইছোঁ।

অবিলেসৰ দ্বাৰা ছপা মাধ্যমেৰে প্ৰকাশিত গ্ৰন্থ, পুথি আৰু পুস্তিকা, প্ৰবন্ধ সংকলন, কেইবাখনো লেখক-অনুবাদ কৰ্মশালাৰ উপলক্ষ্যত প্ৰকাশিত স্মৰণিকা আদিৰ মুঠ সংখ্যা ২৬খন। এই প্ৰকাশনসমূহত প্ৰকাশিত বহু লেখনীৰ জৰিয়তে গ্ৰন্থপ্ৰেমীসকল লাভৱান হৈছে আৰু জনপ্ৰিয় হোৱাৰ লগতে নতুন লেখকক অনুপ্ৰাণিত কৰাও দেখা গৈছে। দুখৰ বিষয় যে আমাৰ কাৰ্যকালৰ প্ৰথম বৰ্ষত সংস্থাই ক'ভিড পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আশা কৰা মতে কাৰ্যসূচী ৰূপায়ণ কৰিব পৰা নগ'ল। তৎসত্ত্বেও অনলাইন মাধ্যমেৰে আমি কিছু কাৰ্যসূচী অনুষ্ঠিত কৰিবলৈ প্ৰয়াস কৰিছিলোঁ। তাৰ ভিতৰত দুটা বক্তৃতানুষ্ঠান, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে **'অস্তিত্বৰ সংকট'** নামেৰে এখন বৈদ্যুতিন আলোচনী, ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতা আদি উল্লেখযোগ্য। সাম্প্ৰতিক সময়ত দেখা গৈছে যে বিভিন্ন সামাজিক মাধ্যমৰ জৰিয়তে বহু ন-ন লেখকৰ সৃষ্টি হোৱাৰ লগতে উন্নত মানৰ লেখাৰ দ্বাৰাই বহু লেখক প্ৰতিষ্ঠিত হৈ গ্ৰন্থৰ জগতত ভুমুকি মাৰিছে। সেয়েহে অবিলেসে এই বৰ্ষৰ পৰা দুমহীয়াকৈ 'সৃষ্টি' নামৰ এখন বৈদ্যুতিন আলোচনী প্ৰকাশ কৰিবলৈ মনস্থ কৰিছে আৰু আলোচনীখনৰ প্ৰথম সংখ্যা জানুৱাৰি-ফেব্ৰুৱাৰি সংখ্যাটো ২৮ ফেব্ৰুৱাৰি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ দিনা প্ৰকাশ কৰি উলিওৱাৰ ব্যৱস্থা হাতত লোৱা হয়। এই ক্ষেত্ৰত আমি সকলো সদস্য, লেখক আৰু পঢ়ুৱৈ সমাজৰ পৰা দিহা-পৰামৰ্শ আৰু বিজ্ঞান বিষয়ত লিখা চমু লেখনি আহ্বান কৰিলোঁ।

আশা ৰাখিলোঁ যাতে 'সৃষ্টি'য়ে অবিলেসৰ প্ৰকাশনৰ ক্ষেত্ৰত ন সংযোজন হৈ ইয়াৰ ধাৰাবাহিকতা ৰক্ষা কৰি অবিলেসক সমৃদ্ধ কৰিব৷

শ্ৰদ্ধাসহকাৰে-

লাৱণ্য লাহন চুতীয়া
সভাপতি, অবিলেস

## সম্পাদনা সমিতি

**উপদেষ্টা**
ডঃ দীনেশ চন্দ্ৰ গোস্বামী
ক্ষীৰধৰ বৰুৱা
শান্তনু তামূলী
লাৱণ্য লাহন চুতীয়া

**সম্পাদক**
মানস প্ৰতিম দত্ত
মহানন্দ শৰ্মা

**সদস্য**
অভিজিত শৰ্মা বৰুৱা
ডঃ অদিতি বেজবৰুৱা
ডঃ জয়ন্ত কুমাৰ গোস্বামী
বন্দনা দত্ত হাজৰিকা
ৰিপুঞ্জয় বৰদলৈ

## সম্পাদকীয়

সাম্প্ৰতিক সময় আমাৰ সমাজ আৰু সমগ্ৰ বিশ্বৰ বাবে প্ৰতিকূল সময়। ক'ভিড-১৯ৰ সংহাৰ আৰম্ভ হোৱাৰ পৰাই আমি মূৰ তুলি থিয় হ'ব পৰা নাই। ক'ভিডৰ পৰিৱেশ শাম কাটিলেও আমি মানুহবোৰ আৰ্থিকভাৱে বৰ জুৰুলা হৈ পৰিছোঁ। আনকি আমাৰ সকলো শ্ৰেণীৰ লোকে নিজৰ নিজৰ পৰিসৰৰ কামৰ ক্ষেত্ৰত বহুদূৰ পিছুৱাই যাবলগীয়া হৈছে। এৰি অহা সময়ছোৱাৰ কামবোৰ নতুনকৈ আৰম্ভ কৰিবলৈ আমি এতিয়া তৎপৰ হৈ পৰিছোঁ। সেইবাবে আমাৰ হাতৰ সময়বোৰো কমি আহিছে। তৎসত্ত্বেও যিসকল লোকে নিজৰ ব্যস্ততাৰ মাজতো সমাজ আৰু দহৰ বাবে কাম কৰি আছে বা কৰিবলৈ আগবাঢ়ি আহিছে সেয়া সমাজখনৰ বাবে মংগলজনক। অসম বিজ্ঞান লেখক সংস্থাৰ কৰ্মকৰ্তাসকলেও নিজৰ ব্যস্ততাৰ মাজতে সময় উলিয়াই বিজ্ঞান প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত নতুন উদ্যোগ হাতত লৈছে। তাৰ এটা অন্যতম দিশ হৈছে এই বৈদ্যুতিন আলোচনীৰ প্ৰকাশ। সমাজত বিজ্ঞানমনস্কতা প্ৰসাৰৰ বাবে এই আলোচনীৰ প্ৰকাশ অত্যন্ত গুৰুত্বপূৰ্ণ দিশ। কিয়নো, অসম বিজ্ঞান লেখক সংস্থাৰ অন্যতম উদ্দেশ্য হৈছে সমাজত বিজ্ঞান শিক্ষাৰ প্ৰসাৰ, অন্ধবিশ্বাস দূৰীকৰণ, নতুন লেখক সৃষ্টি আদিৰ দৰে বিষয়ত আগভাগ লোৱা। এনে উদ্দেশ্য সমুখত ৰাখিয়ে আৰম্ভ কৰা হ'ল 'সৃষ্টি'ৰ যাত্ৰা। এই যাত্ৰাত যাতে সকলোৱে সহযোগ কৰে তাৰেই কামনা কৰিলোঁ।

মানসপ্ৰতিম দত্ত
মহানন্দ শৰ্মা

*এই সংখ্যাৰ সামগ্ৰিক ব্যয় বহন কৰিছে বন্দনা দত্ত হাজৰিকাই। তেখেতলৈ অবিলেসৰ তৰফৰ পৰা কৃতজ্ঞতা জনালোঁ। - সম্পাদনা সমিতি*

# অনুক্ৰমণিকা


- ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস আৰু ইয়াৰ আঁৰৰ মানুহজন
  প্ৰতিভা দেৱী ১

- সৰ্পদংশনৰ আধুনিক চিকিৎসা
  জয়ন্ত কুমাৰ পাঠক ৩

- নৱপ্ৰজন্ম, কৃষি আৰু ভৱিষ্যৎ
  প্ৰণামীকা বৰা ৮

- অৰণ্যৰ সংকট আৰু বিপন্ন জীৱকুল
  সুমিত দাস ১০

- শেষ পৃষ্ঠাৰ চিন্তন
  মানস প্ৰতিম দত্ত ১২





# ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস আৰু ইয়াৰ আঁৰৰ মানুহজন

**প্ৰতিভা দেৱী**

ভাৰতীয় বিজ্ঞান আৰু বিজ্ঞানীৰ ভূমিকা, জনসাধাৰণৰ বিজ্ঞান সচেতনতা, সহযোগিতা আৰু জাতীয় দায়বদ্ধতাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিবলৈ ভাৰত চৰকাৰে ১৯৮৭ চনৰ পৰা প্ৰতিবছৰে ২৮ ফেব্ৰুৱাৰিৰ দিনটো 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস' হিচাপে পালন কৰাৰ কথা ঘোষণা কৰিছে। এই দিনটো ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে পালন কৰাৰ এক অন্তৰ্নিহিত তাৎপৰ্য আছে। এই দিনটোতেই মহান ভাৰতীয় বিজ্ঞানী চন্দ্ৰশেখৰ ভেংকট ৰামনে 'পোহৰৰ বিচ্ছুৰণ' সম্বন্ধীয় 'ৰামন পৰিঘটনা' (Raman effect) আৱিষ্কাৰ কৰি ১৯২৮ চনৰ ২৮ ফেব্ৰুৱাৰি তাৰিখে ভাৰতীয় বিজ্ঞানচৰ্চাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিছিল। এইজনা মহান বিজ্ঞানীয়ে ১৯৩০ চনত ৰামন পৰিঘটনা উদ্ভাৱনৰ স্বীকৃতিস্বৰূপে নোবেল বঁটাৰে সন্মানিত হৈছিল। বিজ্ঞান দিৱসৰ উদ্দেশ্য আগত ৰাখি মহান বিজ্ঞানীজনাৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ প্ৰতিগৰাকী ভাৰতীয়ই নিজ নিজ আৱিষ্কাৰৰ জৰিয়তে সুপ্ত প্ৰতিভা বিকশাই জাতীয় জীৱন চহকী কৰি তোলাৰ প্ৰয়াস কৰিবলৈ এই দিৱসৰ গুৰুত্ব আহি পৰিছে।

'ৰামন পৰিঘটনা'ৰ আৱিষ্কাৰক চি ভি ৰামনে নিষ্ঠা আৰু একাগ্ৰতাৰ বাবে জীৱনৰ কাঁইটীয়া পথবোৰ অতিক্ৰম কৰি চূড়ান্ত লক্ষ্যত উপনীত হ'ব পাৰিছিল। তেওঁ মাথোঁ ১২ বছৰ বয়সতে সুখ্যাতিৰে মেট্ৰিকুলেচন আৰু ১৬ বছৰ বয়সত মাদ্ৰাছ প্ৰেছিডেন্সি কলেজৰ পৰা স্নাতক পৰীক্ষাত পদাৰ্থবিজ্ঞানত সৰ্বোচ্চ নম্বৰ পাই 'আৰ্নি স্বৰ্ণপদক' লাভ কৰিছিল। ১৮ বছৰ বয়সত তেওঁ পদাৰ্থবিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। পঢ়ি থকা অৱস্থাতে ১৭ বছৰ বয়সত ইংলেণ্ডৰ পৰা প্ৰকাশিত 'ফিল'ছফিকেল মেগাজিন'ত ১৯০৬ চনত তেওঁৰ প্ৰথম গৱেষণামূলক প্ৰবন্ধ প্ৰকাশ পাইছিল।

ৰামনে ইংলেণ্ডত উচ্চ পৰ্যায়ৰ গৱেষণাৰ বাবে চৰকাৰী বৃত্তি লাভ কৰিছিল। কিন্তু শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ বিলাতত গৱেষণা কৰিব নোৱাৰিলে। মেধাৱী ছাত্ৰ ৰামনে ভাৰতত অনুষ্ঠিত বিত্ত বিভাগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯০৭ চনত বিত্ত বিভাগৰ চাকৰিত যোগদান কৰে। বিত্তীয় আমোলা হিচাপে দহ বছৰ চাকৰিৰ কিছুদিন ৰেংগন আৰু নাগপুৰত আৰু বাকী সময়ছোৱা কলিকতাতে আছিল। ৰামন কলিকতাৰ Indian AssociatioN for the Cultivation of Scienceৰ লগতো জড়িত হৈ আছিল। ৰামনৰ গৱেষণা প্ৰতিভাত মুগ্ধ হৈ কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আশুতোষ মুখাৰ্জীয়ে তেওঁক 'পালিত অধ্যাপক'ৰ পদ যাচে।

১৯১৭ চনত তেওঁ বিত্ত বিভাগৰ চাকৰি বাদ দি অতি কম দৰমহাতে কলিকতা বিশ্ববিদ্যালয়ত যোগ দিয়ে আৰু নতুন নতুন গৱেষণাত ব্যস্ত হৈ পৰে। ১৯২১ চনত লণ্ডনত ব্ৰিটিছ ৰাষ্ট্ৰমণ্ডলৰ বিশ্ববিদ্যালয়সমূহৰ অধ্যাপকসকলৰ এখন সন্মিলন অনুষ্ঠিত হয়। ৰামনে এই সন্মিলনত কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি হিচাপে যোগদানৰ সুবিধা লাভ কৰে। তেওঁ জাহাজেৰে বিলাতলৈ যাওঁতে ভূমধ্য সাগৰৰ মাজত এঠাইত সাগৰৰ পানী অত্যন্ত গাঢ় নীলা দেখি বিমুগ্ধ হৈছিল।তেওঁ মনতে চিন্তা কৰিছিল যে সূৰ্যৰ পোহৰ সাগৰৰ পানীত বিচ্ছুৰিত হৈ এনেকুৱা ধুনীয়া দৃশ্যৰ সৃষ্টি হৈছে। এই অনুমান সঁচা হয় নে নহয় তাৰ বাবে জুলীয়া বস্তুত পোহৰ কেনেকৈ প্ৰসাৰিত হয়, সেই তত্ত্ব জনাৰ দৰকাৰ হৈ পৰিল। তেওঁ কলিকতালৈ উভতি আহিয়েই পোহৰৰ বিচ্ছুৰণ সম্পৰ্কীয় গৱেষণাত ব্যস্ত হৈ পৰিল। ১৯২২ চনৰ পৰা ১৯২৮ চনলৈ অতি নিষ্ঠাৰে সহযোগীসকলৰ সৈতে দিন-ৰাতি একাকাৰ কৰি পৰিশ্ৰম কৰি গ'ল। ১৯২৮ চনত ৰামনে তেওঁৰ সহযোগী কে এছ কৃষ্ণণৰ সৈতে কলিকতাৰ বৌ-বাজাৰ পথৰ সৰু গৱেষণাগাৰটোত এটা পকেট বৰ্ণালীবীক্ষণ যন্ত্ৰ আৰু এটা পাৰাৰ চাকিৰে পৰীক্ষা-নিৰীক্ষা চলাই সাগৰৰ পানী নীলা হোৱাৰ প্ৰকৃত ৰহস্য উদঘাটন কৰিবলৈ সক্ষম হ'ল। ৰামনৰ মতে সূৰ্যৰ পোহৰত থকা সাতোটা ৰঙৰ নীলা ৰংটো সাগৰৰ পানীৰ অণুবোৰে চৌদিশে বিচ্ছুৰণ ঘটায় আৰু আনবোৰ ৰং শোষণ কৰে।

পোহৰৰ বিচ্ছুৰণ সম্পৰ্কীয় তত্ত্বটো হ'ল- কোনো মাধ্যমৰ মাজেৰে দৃশ্যমান পোহৰ পাৰ হৈ যাবলৈ দিলে মাধ্যমত সেই পোহৰৰ বিচ্ছুৰণ ঘটে। বিচ্ছুৰিত পোহৰত আপতিত তৰংগদৈৰ্ঘ্যৰ পোহৰ থকাৰ উপৰি তাতকৈ কম বা বেছি তৰংগদৈৰ্ঘ্যৰ পোহৰো থাকে। এই প্ৰক্ৰিয়াত সৃষ্টি হোৱা তৰংগদৈৰ্ঘ্যৰ পৰিৱৰ্তন বিচ্ছুৰক মাধ্যমৰ গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰে, আপতিত ৰশ্মিৰ তৰংগদৈৰ্ঘ্যৰ ওপৰত নিৰ্ভৰ নকৰে।

ৰামন পৰিঘটনা সম্পৰ্কীয় গৱেষণাপত্ৰখন ১৯২৮ চনৰ ১৬ ফেব্ৰুৱাৰিত 'নেচাৰ' আলোচনীলৈ পঠোৱা হয় আৰু ১৯২৮ চনৰ ২৮ ফেব্ৰুৱাৰিত তেওঁ এখন সভাত এই বিষয়ে বক্তৃতা প্ৰদান কৰি গোটেই বিশ্বৰ বিজ্ঞানীসকলৰ দৃষ্টি আকৰ্ষণ কৰে। এই গৱেষণাপত্ৰখনে ভাৰতৰ বিজ্ঞানজগতলৈ অভূতপূৰ্ব সন্মান কঢ়িয়াই আনে। ৰামন পৰিঘটনা আৱিষ্কাৰৰ পাছৰে পৰা বিশ্বৰ পদাৰ্থ বিজ্ঞানী আৰু ৰসায়ন বিজ্ঞানীসকলৰ গৱেষণাতো ইতিবাচক প্ৰভাৱ পৰিবলৈ ধৰে। এই আৱিষ্কাৰৰ জৰিয়তে ৰাসায়নিক যৌগৰ আভ্যন্তৰীণ গঠন ভালদৰে জনাৰো সহায়ক হ'ল। নতুন নতুন অণুৰ সংশ্লেষণো সম্ভৱ হৈ পৰিল। উদ্যোগ আৰু বিজ্ঞানৰ প্ৰগতিত সংশ্লেষিত অণুবোৰে বিশেষ ভূমিকা গ্ৰহণ কৰিলে। অতি সূক্ষ্মভাৱে পদাৰ্থৰ অন্তৰ্ভাগ অধ্যয়নৰ বাবে পাছত লেজাৰ আৱিষ্কাৰ কৰি বিজ্ঞানীসকলে 'লেজাৰ ৰামন প্ৰক্ৰিয়া' নামেৰে এক নতুন পৰিঘটনা আৱিষ্কাৰ কৰিলে। প্ৰকৃতাৰ্থত ৰামন পৰিঘটনাৰ প্ৰভূত ঔদযোগিক আৰু বৈজ্ঞানিক সম্ভাৱনাৰ বাবেই ৰামনে নোবেল বঁটা লাভ কৰিবলৈ সক্ষম হ'ল। সমগ্ৰ এছিয়াৰ ভিতৰত প্ৰথমবাৰ পদাৰ্থবিজ্ঞানত নোবেল বঁটা পোৱা চি ভি ৰামনৰ বাবে আমি ভাৰতীয় হিচাপে গৌৰৱবোধ কৰোঁ।

চি ভি ৰামনে মৃদংগ আৰু তবলাৰ ধ্বনিৰ বিষয়েও গৱেষণা কৰি নতুন তথ্য উদ্ভাৱন কৰিছে। পখিলা, ফুল, মণি আদিৰ বিষয়েও তেওঁ গৱেষণা কৰিছিল। তেওঁ সৰ্বস্ব ত্যাগেৰে গঢ়ি তোলা Ramon Research Institute দেশৰ ডেকা বিজ্ঞানীসকলৰ বাবে উছৰ্গা কৰি গৈছে। তেওঁৰ মতে - "কঠোৰ পৰিশ্ৰম, বিৰামহীন প্ৰচেষ্টা আৰু উচ্চাকাংক্ষা সাফল্যৰ মূল মন্ত্ৰ।"

*লেখিকাৰ ঠিকনা: নলবাৰী জিলাৰ মাখিবাহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা*



# সৰ্পদংশনৰ আধুনিক চিকিৎসা

**জয়ন্ত কুমাৰ পাঠক**

ক'ভিড মহামাৰীৰ ভয়াৱহতাই সমাজৰ প্ৰায় সকলো ক্ষেত্ৰকে জোকাৰি গৈছে। ক'ভিডৰ বাবে আটাইতকৈ বেছি প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা এক ক্ষেত্ৰ হৈছে স্বাস্থ্যখণ্ড। অসমো ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু এয়া অনস্বীকাৰ্য যে প্ৰত্যাহ্বানৰ মাজতে বিশেষকৈ অসমৰ স্বাস্থ্যখণ্ডৰ পৰিকাঠামো, ব্যৱস্থাপনাৰ ভালেখিনি উন্নতি সাধন হ'ল। ক'ভিডৰ মোকাবিলাৰ উদ্দেশ্যে গঢ়ি উঠা এই পৰিকাঠামো বা ব্যৱস্থাপনাক এতিয়া অধিক দীৰ্ঘম্যাদি পৰিকল্পনাৰে আগুৱাই নিবলৈ গুৰুত্ব প্ৰদান কৰা উচিত। এনে প্ৰেক্ষাপটত, পূৰ্বতে যথোচিত গুৰুত্ব নোপোৱা জনস্বাস্থ্য সম্বন্ধীয় বহু বিষয় এতিয়া অগ্ৰাধিকাৰ ভিত্তিত সমাধানৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ এক সুচল বাতাৱৰণ গঢ় লৈ উঠা যেন অনুমান হয়। উল্লেখ্য যে জনসাধাৰণে প্ৰায়েই আক্ষেপ প্ৰকাশ কৰা এক বিষয় হৈছে সৰ্পদংশন। সৰ্পদংশনৰ চিকিৎসাৰ বাবে ৰাজ্য চৰকাৰ তথা স্বাস্থ্য বিভাগে কৰিব লগা ভালেখিনি আছে। আমাৰ বিশ্বাস চৰকাৰে এই ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰি সৰ্পদংশনত আক্ৰান্ত লোকৰ প্ৰাণ ৰক্ষাত নিশ্চয়কৈ আগভাগ ল'ব।

**সৰ্পদংশনৰ প্ৰতিচ্ছবিখনঃ**

সাপ বুলিলেই সৰহসংখ্যক লোকৰ ভয়তে হৃদস্পন্দনৰ স্বাভাৱিক গতি বৃদ্ধি হয়। যদি কেনেবাকৈ কোনো লোকক সাপে খোঁটে তেতিয়াহ'লে বেছিভাগ লোকেই কিংকৰ্তব্যবিমূঢ় হৈ পৰে, আৰু তেতিয়াই অঘটন ঘটে– নকৰিবলগীয়াবোৰ কৰে আৰু কৰিবলগীয়াবোৰ নকৰে। ৰাইজৰ সজাগতা, অন্ধবিশ্বাস আদি কথাবোৰতো আছেই। সজাগতাৰ অভাৱ কেৱল জনসাধাৰণৰ মাজতেই নাই, বহু সময়ত চিকিৎসক তথা স্বাস্থ্যকৰ্মীৰ মাজতো সজাগতাৰ অভাৱ পৰিলক্ষিত হয়। সেয়েহে হয়তো কোনোবাই কেনেবাকৈ স্থানীয় হস্পিতাললৈ সৰ্পদংশনত আক্ৰান্ত ৰোগীক নিলেও প্ৰায়েই চিকিৎসক, স্বাস্থ্যকৰ্মীয়ে মেডিকেল কলেজ হস্পিতাললৈ বা অন্য হস্পিতাললৈ 'ৰেফাৰ' কৰাৰ দৰে অনাহুত পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয়। আনকি ফেঁটী সাপে খোঁটা ৰোগীক সঠিক সময়ত মেডিকেল কলেজ হস্পিতাললৈ নিয়াৰ পাছত, ৰোগীৰ গাত বিষৰ লক্ষণ স্পষ্ট হোৱাৰ পিছতো কৰ্তব্যৰত চিকিৎসকে 'এভিডেন্স' বিচৰাৰ দৰে নাভূত-নাশ্ৰুত ঘটনাৰ সন্মুখীনো ৰোগীয়ে হ'ব লগা বিক্ষিপ্ত ঘটনাৰ খবৰ শুনা যায়। ৰাইজে সঘনে অনা এক অভিযোগ যে চৰকাৰীভাৱে জাননী

জাৰি কৰা সকলো হস্পিতালতো সাপৰ প্ৰতিবিষ পোৱা নাযায়। এইবোৰ ঘটনাৰ অন্যতম কাৰণ হস্পিতাল কৰ্তৃপক্ষ, চিকিৎসক তথা স্বাস্থ্যকৰ্মীৰ মাজত সৰ্পদংশন সম্পৰ্কত সজাগতাৰ অভাৱ। প্ৰয়োজনীয় সজাগতা সৃষ্টি কৰিব পাৰিলে সাপে খোঁটা ৰোগীৰ চিকিৎসাৰ বাবেও চিকিৎসক, স্বাস্থ্যকৰ্মীসকল আন দুৰ্ঘটনাগ্ৰস্ত ৰোগীৰ ক্ষেত্ৰত দেখুওৱা তৎপৰতাৰে জঁপিয়াই পৰি চিকিৎসা প্ৰদান কৰিব।অৱশ্যে ইয়াৰ বাবে ৰাজ্যখনত সৰ্পদংশনৰ চিকিৎসাৰ কাৰ্যকৰী প্ৰট'কলৰ(SOP) অভাৱ আগতীয়াকৈ পূৰ কৰি ল'ব লাগিব।

প্ৰসংগক্ৰমে কওঁ যে বিশ্ব স্বাস্থ্য সংস্থা, National Health Mission ৰ চিকিৎসা সম্পৰ্কীয় নিৰ্দেশনাৱলী আছে। মেডিকেল কলেজতো পাঠ্যক্ৰমত সৰ্পদংশনৰ চিকিৎসাৰ পাঠ পঢ়োৱা হয়।ইয়াৰ পাছতো কিয় আক্ৰান্তৰ চিকিৎসাৰ অভাৱত, প্ৰতিবিষৰ অভাৱত মৃত্যু হয় সেয়া চিন্তনীয়। সৰ্পদংশনৰ চিকিৎসাৰ প্ৰট'কল ভৌগোলিক স্থানভেদে সুকীয়া হ'ব লাগিব, কিয়নো একেটা প্ৰজাতিৰ বিষধৰ সাপৰে স্থানভেদে বিষৰ তাৰতম্য থাকে। ইয়াৰ বাহিৰেও চিকিৎসা বিষয়ক আন বহু দৰকাৰী দিশ প্ৰট'কলত সামৰি ল'ব লগা আছে।

সৰহসংখ্যক লোকেই এতিয়াও সাপে খুঁটিলে প্ৰথমতে বেজৰ ওচৰলৈ যায়। জৰা-ফুকাত ভাল নহ'লেহে হস্পিতাললৈ নিয়ে। বহুতেই জ্ঞাত নহয় যে সাপে খুঁটিলে আধুনিক চিকিৎসাৰ ফলত আৰোগ্য লাভ কৰাটো সম্ভৱ। এক সমীক্ষা মতে, ভাৰতত বছৰি গড়ে কমেও ৫৮ হাজাৰ লোকৰ সৰ্পদংশনত মৃত্যু হয়। তাৎপৰ্যপূৰ্ণ যে এই সংখ্যাই উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্পদংশনৰ প্ৰকৃত তথ্য সাঙুৰি ল'ব পৰা নাই। কিয়নো আজিও বহু হস্পিতাল, মেডিকেল কলেজত সৰ্পদংশনৰ ৰোগী আহিলে 'এনিমেল বাইট' (animal bite) হিচাপেহে নথিভুক্ত কৰা দেখা যায়। গতিকে পাছলৈ এয়া কি প্ৰাণীয়ে খুঁটিলে নে কামুৰিলে সেয়া সঠিককৈ জনাটো দুৰূহ হৈ পৰে।তদুপৰি হস্পিতাললৈ অনাৰ পথত মৃত্যু হোৱা (brought death), বেজৰ ওচৰত বা আন ধৰণে মৃত্যু হোৱা ঘটনাবোৰৰো কোনো তথ্য বিচাৰি পোৱা নাযায়। মুঠৰ ওপৰত আজিলৈ সৰ্পদংশন বিষয়টোৱে পাব লগা গুৰুত্ব পোৱা নাই।

**এক অৱহেলিত বিষয়ঃ**

সৰ্পদংশন এক অৱহেলিত ক্ৰান্তীয় ৰোগ– এই তাৎপৰ্যপূৰ্ণ মন্তব্য বিশ্ব স্বাস্থ্য সংস্থাৰ। অন্ততঃ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষেত্ৰত ই সন্দেহাতীতভাৱে সত্য। আনহাতে, বিশ্ব স্বাস্থ্য সংস্থাই (WHO) ২০৩০ চনৰ ভিতৰত বিশ্বত সৰ্পদংশনৰ হাৰ ৫০ শতাংশলৈ হ্ৰাস কৰাৰ লক্ষ্য স্থিৰ কৰিছে। WHOই লগতে কৈছে যে বিশ্বত বছৰি সংঘটিত প্ৰায় ৫৪ লাখ সৰ্পদংশনৰ ঘটনাৰ পৰা ৮১,০০০-১,৩৮,০০০ লোকৰ মৃত্যু হয়। ইয়াৰ উপৰি সৰ্পদংশনৰ পিছত প্ৰায় ৪ লাখ লোকৰ জটিল শাৰীৰিক অসুস্থতাই দেখা দিয়ে। আগতেই কোৱা হৈছে যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত সৰ্পদংশন সংক্ৰান্তীয় প্ৰতিচ্ছবিখন ধূসৰ। কিমান লোকক সাপে খুঁটিলে, সাপে খোঁটা কিমানক প্ৰকৃততে বিষধৰ সাপে খুঁটিলে, কিমানে আধুনিক চিকিৎসা লাভ কৰিলে, কিমানে পৰম্পৰাগত পদ্ধতিৰ আশ্ৰয় ল'লে, কিমান আৰোগ্য হ'ল, কিমানৰ মৃত্যু হ'ল, কোন সময়ত এই দংশনৰ ঘটনা বেছি, কোনবোৰ সাপৰ দংশন কোনবোৰ ঠাইত বেছি ইত্যাদি বহু দিশৰ উত্তৰ এক 'সঠিক কাৰ্যকৰী পৰিকল্পনা'ৰ বাবে নিতান্তই প্ৰয়োজন। সেয়েহে সৰ্পদংশনৰ দৰে অতি গুৰুত্বপূৰ্ণ সমস্যা এটা সমাধান কৰিবলৈ চিকিৎসক-স্বাস্থ্যকৰ্মী, সৰীসৃপ বিশেষজ্ঞ, সমাজবিজ্ঞানী-সমাজকৰ্মী, চৰকাৰ-প্ৰশাসক, স্বেচ্ছাসেৱী সংস্থা সকলোৱে একেলগ হৈ কাম কৰা অতি প্ৰয়োজন।

**আধুনিক চিকিৎসাৰে আৰোগ্য সম্ভৱঃ**

সাপে খোঁটা ব্যক্তিক উপযুক্ত সময়ত উপযুক্ত চিকিৎসা প্ৰদান কৰিব পাৰিলে ৯৯ শতাংশ

ৰোগীকে বচাব পাৰি। অসমত সৰ্পদংশনৰ চিকিৎসাক এক অনন্য মাত্ৰা প্ৰদান কৰা এগৰাকী চিকিৎসক ডাঃ সুৰজিত গিৰিয়ে এই মন্তব্য আগবঢ়ায়। মনত ৰখা উচিত যে বিষাক্ত সাপে খুঁটি কোনো লোকৰ তেজলৈ বিষ এৰি দিয়াৰ পিছত আধুনিক চিকিৎসাৰ বিকল্প নাই। বিষাক্ত সাপে খুঁটিলেও বিষ নিদিব পাৰে। এনে 'ড্ৰাই বাইট'ৰ (Dry bite) ঘটনা কম নহয়। আনকি বহু লোকৰ বিষক্ৰিয়াৰ পৰিৱৰ্তে ভয়তেই মৃত্যু হোৱাও দেখা যায়।

**অসমতেই আছে সফলতাৰ মডেলঃ**

শিৱসাগৰৰ ডিমৌ আদৰ্শ চিকিৎসালয়ে (Demow model hospital) সৰ্পদংশনৰ চিকিৎসাক এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে। সংজ্ঞাহাৰক বিশেষজ্ঞ ডাঃ সুৰজিত গিৰিৰ নেতৃত্বত হস্পিতালখনৰ এক সদা সক্ৰিয় গোটে সৰ্পদংশনত আক্ৰান্ত ৰোগীক জীয়াই তোলাৰ বাবে অহোপুৰুষাৰ্থ কৰি থকাৰ কথা এতিয়া সচেতন ৰাইজৰ মুখে মুখে। তেওঁলোকে সৰ্পদংশনত আক্ৰান্ত ৰোগীৰ চিকিৎসা প্ৰদানতে দায়িত্ব সামৰা নাই। হস্পিতালৰ চিকিৎসক, স্বাস্থ্যকৰ্মীৰ দক্ষতা বৃদ্ধিকে ধৰি সৰ্পদংশনৰ চিকিৎসাৰ বাবে আছুতীয়া কক্ষ স্থাপন, জনসজাগতা সৃষ্টি আদি ভালেখিনি পদক্ষেপ হাতত লৈছে। উল্লেখ্য যে ভাৰতৰ অন্যতম পৰিৱেশধৰ্মী সংস্থা 'আৰণ্যক'ৰ তৰফৰ পৰাও জনসজাগতা সৃষ্টিৰ বাবে বহুমুখী পদক্ষেপ গ্ৰহণ কৰাৰ সমান্তৰালভাৱে সাপৰ বিভিন্ন গৱেষণাকাৰ্য অব্যাহত ৰাখিছে। সৰ্পদংশনৰ চিকিৎসাত ডাঃ গিৰি তথা ডিমৌ হস্পিতালৰ এক গুৰুত্বপূৰ্ণ অৱিহণা হ'ল- সৰ্পদংশনৰ চিকিৎসাৰ এক কাৰ্যকৰী প্ৰট'কল প্ৰস্তুত কৰি উলিওৱা। চিকিৎসাৰ লগতে গৱেষণাকো সমানে আগবঢ়াই নিয়া গিৰিৰ এক গৱেষণাকাৰ্য অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ত অলপতে অনুষ্ঠিত অষ্টম আন্তঃৰাষ্ট্ৰীয় টক্সিন'লজী (Toxinology) সন্মিলনত গুৰুত্বসহ প্ৰকাশ পায়। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত পিট ভাইপাৰৰ দ্বাৰা আক্ৰান্ত ৰোগী প্ৰতিবিষ অবিহনে যে আৰোগ্য লাভ কৰিব পাৰে সেই সত্যকে গিৰি আৰু সহযোগী গৱেষকসকলে বৈজ্ঞানিকভাৱে সন্মিলনত উপস্থাপন কৰে। সৰ্পদংশনৰ চিকিৎসাৰ ক্ষেত্ৰত এয়া সঁচাকৈ এক আশাৰ খবৰ। আমি আশাবাদী যে ভাইপাৰৰ আন প্ৰজাতিবোৰক লৈ একেধৰণৰ গৱেষণাৰ বাবেও কোনো চিকিৎসক-গৱেষক আগবাঢ়ি আহিব। ডিমৌ হস্পিতালৰ সৰ্পদংশনৰ চিকিৎসাৰ মডেলকে যদি অসমৰ আন হস্পিতালত অনুসৰণ কৰা হয় তেতিয়াও সৰ্পদংশনত আক্ৰান্ত বহু লোকক মৃত্যুমুখৰ পৰা বচাব পৰা যাব।

**সকলো সাপেই বিষাক্ত নহয়ঃ**

সৰ্পদংশনৰ চিকিৎসাকহে এই লেখাৰ জৰিয়তে সামৰি ল'ব বিচৰা হৈছে। সাপৰ পাৰিস্থিতিক দিশ, সংৰক্ষণ কিম্বা অন্ধবিশ্বাস ইত্যাদি আলোচনা এই লেখাৰ উদ্দেশ্য নহয়। তথাপি কওঁ যে অসমত পোৱা প্ৰায় ৭০ প্ৰজাতিৰ সাপৰ ভিতৰত ১৪ প্ৰজাতিৰ সাপহে বিষধৰ। এই বিষধৰ সাপৰ ভিতৰত মাৰাত্মকভাৱে বিষধৰ (dangerously venomous) সাপৰ প্ৰজাতিৰ সংখ্যা মাত্ৰ ছয়। অৱশ্যে এই সাপবোৰ অসমৰ সকলো ঠাইতে সমানে উপলব্ধ নহয়। গৱেষণালব্ধ তথ্যানুসৰি নামনি অসমৰ বঙাইগাঁও, চিৰাং জিলালৈ ৰাছেল ভাইপাৰৰ বিস্তৃতি বৃদ্ধি পাইছে। কিন্তু জলবায়ু পৰিৱৰ্তনৰ ফলত ভৱিষ্যতলৈ এই প্ৰজাতিটোৱে অসমৰ আন জিলালৈ বিস্তৃতি ঘটাব পাৰে বুলি শংকা ব্যক্ত কৰে 'ৱাইল্ডলাইফ ইনষ্টিটিউট অব ইণ্ডিয়া'ত কৰ্মৰত বিজ্ঞানী ড. অভিজিৎ দাসে। উল্লেখ্য যে ভাৰতত পোৱা সাপৰ ভিতৰত ৰাছেল ভাইপাৰ অন্যতম বিষধৰ সাপ, যাৰ দংশনৰ পাৰ্শ্বক্ৰিয়া অতি খৰতকীয়া আৰু ই আক্ৰান্ত ব্যক্তিৰ বহু অংগ খুব কম সময়ৰ ভিতৰতে অকামিলা কৰি দিব পাৰে। অৱশ্যে অসমত প্ৰধানতঃ ফেঁটী সাপ আৰু 'ব্লেক ক্ৰেইট'ৰ (ক'লা শংখচূড়) দংশনত

মৃত্যু বেছিকৈ হোৱা দেখা যায়। ভাইপাৰৰ প্ৰজাতিবোৰৰ দ্বাৰা দংশনৰ ঘটনাও যথেষ্ট।

**সৰ্পদংশনত আক্ৰান্ত ৰোগীক বচাবলৈ চৰকাৰৰ কৰণীয়ঃ**

ভাৰতত দৈনিক প্ৰায় ১৫৮ গৰাকী লোকৰ সৰ্পদংশনৰ ফলত মৃত্যু হৈ আছে। সৰ্পদংশনৰ ঘটনাৰ সম্পূৰ্ণ তথ্য উপলব্ধ হ'লে এই আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা প্ৰবল। মন কৰিবলগীয়া যে সৰ্পদংশনৰ কবলত পৰা সৰহসংখ্যক লোকেই গ্ৰামাঞ্চলৰ সাধাৰণ লোক। যাতায়াত, যোগাযোগ, স্বাস্থ্য খণ্ড সকলো ক্ষেত্ৰতে এই অঞ্চলবোৰ সাধাৰণতে পিছ পৰা। চহৰাঞ্চলতো সৰ্পদংশনৰ ঘটনা কম নহয়, ভাৰতৰকিছুমান চহৰত সৰ্পদংশনৰ ঘটনা ক্ৰমে বৃদ্ধি পাই অহা পৰিলক্ষিত হৈছে। উল্লেখ্য যে বিষধৰ সাপৰ দংশনৰ পৰা চিকিৎসা প্ৰদানলৈ মাজত পোৱা সময় অতি কম। সেয়েহে সৰ্পদংশনত আক্ৰান্ত লোকক বচাবলৈ হ'লে এক কাৰ্যকৰী পৰিকল্পনা চৰকাৰৰ হাতত থকাটো অত্যন্ত জৰুৰী। এই প্ৰসংগতে অসম চৰকাৰ তথা অসমৰ স্বাস্থ্য বিভাগলৈ আমি কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো যাৰ কাৰ্যকৰীকৰণৰ ফলত অসমত সৰ্পদংশনৰ ফলত সংঘটিত মৃত্যু হোৱা লোকৰ সংখ্যা নিশ্চিতভাৱে হ্ৰাস কৰিব পৰা যাব।

**পৰামৰ্শসমূহঃ**

ক) সৰ্পদংশনৰ চিকিৎসাৰ এক কাৰ্যকৰী প্ৰট'কল প্ৰস্তুত কৰাৰ লগতে এই প্ৰট'কল ৰূপায়ণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা|

খ) অসমৰ প্ৰতিখন হস্পিতালতে প্ৰতিবিষ মজুত ৰখা আৰু ইয়াৰ নিৰীক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা।

গ) চৰকাৰী হস্পিতালত কৰ্মৰত চিকিৎসক আৰু বিশেষকৈ জৰুৰীকালীন বিভাগত কৰ্মৰত স্বাস্থ্যকৰ্মীসকলক সৰ্পদংশনৰ চিকিৎসাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা। এবাৰ প্ৰশিক্ষণপ্ৰাপ্তসকলৰ বাবে নিৰ্দিষ্ট সময়ৰ অন্তৰালত পুনঃ উন্নত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পাৰিলে ভাল।

ঘ) এক কাৰ্যকৰী 'হেল্পলাইন নম্বৰ' কেৱল সৰ্পদংশনৰ ৰোগীৰ দিহা-পৰামৰ্শৰ বাবে ব্যৱস্থা কৰা। এই নম্বৰত পৰামৰ্শ বিচাৰিলে নিশ্চিত পৰামৰ্শ পোৱাৰ ব্যৱস্থা কৰা। সৰ্পদংশন সংক্ৰান্তত আমালৈ সঘনে অহা ফোন আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰূপায়ণ কৰা সজাগতামূলক অনুষ্ঠানৰ অভিজ্ঞতাৰ ভিত্তিত ক'ব পাৰোঁ যে এই ব্যৱস্থা নিতান্তই জৰুৰী আৰু ই সমাজৰ বৃহৎসংখ্যক লোকক উপকৃত কৰিব।

ঙ) বিজ্ঞানসন্মত পৰিকল্পনাৰ জৰিয়তে সৰ্পদংশন বিষয়ত জনসজাগতাৰ সৃষ্টি কৰা। চৰকাৰ আৰু স্বেচ্ছাসেৱী সংস্থা বা ব্যক্তিয়ে উমৈহতীয়াভাৱে এই কাম ৰূপায়ণ কৰিব পাৰে।

চ) চিকিৎসা বিজ্ঞান বা নাৰ্ছিঙৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বহুমুখী স্বাস্থ্যকৰ্মীসকলক সৰ্পদংশনৰ ওপৰত কেইটামান বিশেষ পাঠদানৰ ব্যৱস্থা কৰা দৰকাৰ। সৰ্পদংশনৰ আধুনিক চিকিৎসা প্ৰট'কল সম্বন্ধীয়, অসমত উপলব্ধ বিষধৰ সাপ বিষয়ক পাঠ আদি ইয়াৰ ভিতৰত সামৰি ল'ব পাৰে। অভিজ্ঞ চিকিৎসক আৰু সৰীসৃপ বিশেষজ্ঞই এই দিশত সহায় কৰিব পাৰিব।

ইয়াৰ উপৰি আনকেইটামান দিশ সৰ্পদংশনৰ ব্যৱস্থাপনাৰ বাবে গুৰুত্বপূৰ্ণ বুলি চৰকাৰে বিবেচনা কৰাৰ প্ৰয়োজন আছে। ইতিমধ্যে বৈজ্ঞানিকভাৱে প্ৰমাণিত হৈছে যে ভৌগোলিক স্থানভেদে একেটা প্ৰজাতিৰ সাপৰে বিষৰ তাৰতম্য থাকে। সেয়ে অসমৰ বিষধৰ সাপৰ দংশনৰ চিকিৎসাৰ বাবে ইয়াৰ সাপৰ বিষৰ পৰা প্ৰতিবিষ উৎপাদন কৰিব পাৰিলে কাৰ্যক্ষমতা বহুগুণে বৃদ্ধি পাব। চিকিৎসাত যথেষ্ট সহায়ক হ'ব। এয়া সম্ভৱ হ'লে অসম তথা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে প্ৰতিবেশী ৰাষ্ট্ৰসমূহৰ বাবেও এই প্ৰতিবিষ সহায়ক হোৱাৰ প্ৰচুৰ সম্ভাৱনাৰ কথা ব্যক্ত কৰে বিশিষ্ট জীৱবিদ তথা আৰণ্যকৰ সৰীসৃপ বিশেষজ্ঞ ড. ফিৰোজ আহমেদে।

আনহাতে, হস্পিতাললৈ অহা সৰ্পদংশনত আক্ৰান্ত প্ৰতিগৰাকী ৰোগীক যাতে ‘সৰ্পদংশন' হিচাপেহে ৰেজিষ্টাৰ কৰে, ‘এনিমেল বাইট' বা অন্য ধৰণে নহয় তাৰ বাবে স্পষ্ট নিৰ্দেশনা থকা প্ৰয়োজন। সৰ্পদংশনৰ পাছত আক্ৰান্ত ব্যক্তিৰ দেহত কি কি লক্ষণ কেতিয়া দেখা দিলে সেয়া সঠিকভাৱে পৰ্যৱেক্ষণ কৰি লিপিবদ্ধ কৰি বিশ্লেষণ কৰিলে ভৱিষ্যতত সৰ্পদংশনৰ চিকিৎসাত যথেষ্ট সহায় হ'ব। অন্ততঃ মেডিকেল কলেজ হস্পিতালবোৰত এইধৰণৰ অধ্যয়ন তথা গৱেষণাক উৎসাহিত কৰা প্ৰয়োজন।

আমি জানো যে চত্তিশগড়ত মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰী উত্তীৰ্ণ একাংশ ব্যক্তি বা স্বেচ্ছাসেৱকক সৰ্পদংশন বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হয়। তেওঁলোকে প্ৰাথমিক চিকিৎসা প্ৰদান, জীৱনদায়িনী বেজী আদি দি সৰ্পদংশনত আক্ৰান্ত ব্যক্তিক হস্পিতাললৈ নিয়াৰ ব্যৱস্থা কৰে। প্ৰয়োজনত ‘এম্বু বেগ'ৰ (Ambu bag) ব্যৱহাৰ কৰে। প্ৰয়োজনসাপেক্ষে অসমৰ প্ৰত্যন্ত অঞ্চলৰ ক্ষেত্ৰতো তেনে ব্যৱস্থা গ্ৰহণ কৰিব পাৰি নেকি চৰকাৰে চিন্তা কৰি চাব পাৰে। অসমৰ ক্ষেত্ৰত বহুমুখী স্বাস্থ্যকৰ্মী (MPW), আশা কৰ্মীসকলো এই ক্ষেত্ৰত সহায়ক হ'ব পাৰিব নেকি ভাবি চাব পাৰি। ইয়াৰ উপৰি এম্বুলেন্সৰ চালক-সহায়কাৰীসকলৰো সজাগতা তথা প্ৰশিক্ষণৰ প্ৰয়োজন আছে। প্ৰতিখন এম্বুলেন্সত ‘এম্বু বেগ' ৰখাটো বাধ্যতামূলক কৰিব পাৰিলে অন্ততঃ ক্ৰেইট, ফেঁটী সাপে খোঁটা ৰোগীৰ উপকাৰত আহিব।

আমাৰ বিশ্বাস জনসাধাৰণৰ সজাগতা, চিকিৎসক-স্বাস্থ্যকৰ্মী-সৰ্প বিশেষজ্ঞ-প্ৰশাসন-স্বেচ্ছাৱেক-স্বেচ্ছাসেৱী সংস্থাৰ সমন্বয়, স্বাস্থ্য ব্যৱস্থাৰ উন্নীতকৰণ আৰু সুচিকিৎসাৰ ফলত অসমেও বিশ্ব স্বাস্থ্য সংস্থাৰ সময় নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'ব পাৰিব।



*লেখকৰ ঠিকনা: পৰিৱেশ শিক্ষা আৰু সক্ষমতা বিভাগৰ প্ৰবন্ধক, আৰণ্যক*



# নৱপ্ৰজন্ম, কৃষি আৰু ভৱিষ্যৎ

**প্ৰণামীকা বৰা**

“যি জাতিয়ে নিজৰ পথাৰ আৰু বজাৰ ৰক্ষা কৰিব নোৱাৰে, সি নিজকো ৰক্ষা কৰিব নোৱাৰে ।”

- অম্বিকাগিৰী ৰায়চৌধুৰী

বহু দশকৰ আগতে স্বৰ্গদেউ চাউলুং চ্যুকাফাই অসমৰ অনাবিল প্ৰাকৃতিক সৌন্দৰ্য আৰু উৰ্বৰা শক্তিৰ প্ৰতি আকৰ্ষিত হৈছিল। বৰ্তমানেও বৰাক আৰু ব্ৰহ্মপুত্ৰই পলস পেলাই থৈ যোৱা অসমৰ ভূখণ্ড প্ৰচুৰ উৰ্বৰা শক্তিসম্পন্ন। জনগাঁথনি, ভৌগোলিক অৱস্থান, জীৱবৈচিত্ৰ্য, সংস্কৃতি তথা বতৰ বা জলবায়ুৰ ক্ষেত্ৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চল বিভিন্ন ধৰণৰ কৃষিকৰ্মৰ বাবে অনুকূল। প্ৰাকৃতিক গেছ, তেল, কয়লা আৰু চাহ ইত্যাদিৰ উপৰি অসমবাসীৰ বাবে অন্যতম প্ৰধান সম্পদ হ’ল ইয়াৰ অতি সাৰুৱা কৃষি উপযোগী মাটি, নদী-জান-জুৰি-বিল-পিটনিয়ে বছৰৰ সকলো সময়তে ধৰি ৰখা বিশাল পানীভাগ আৰু ইয়াৰ মৌচুমী জলবায়ু ।

বৰ্তমান সময়ত মুঠ ঘৰুৱা উৎপাদনলৈ কৃষিখণ্ডৰ বৰঙণি ১৫% ৰ তলত কিন্তু প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত কৃষিয়ে ভাৰতৰ অৰ্থনৈতিক ক্ষেত্ৰলৈ ৫০% ৰ অধিক অবদান আগবঢ়াইছিল । বৰ্তমান আমাৰ একাংশ কৃষকৰ কৃষিৰ ব্যৱস্থাৰ প্ৰতি যেন অনিশ্চয়তাৰ সৃষ্টি হৈছে। প্ৰচুৰ পৰিমাণৰ প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য থকাৰ পাছতো কিন্তু বৰ্তমানো অসম অন্যান্য আগশাৰী ৰাজ্যৰ তুলনাত অনগ্ৰসৰ হৈ আছে। অসমৰ অৰ্থনীতিৰ গুৰিধৰোঁতা ভবানন্দ ডেকাৰ ১৯৬৩ চনতে প্ৰকাশ পোৱা ‘অসমৰ অৰ্থনীতি’ নামৰ কিতাপখনেই অসমৰ বিকাশৰ ধাৰা পৰিস্ফুট।

অসমৰ প্ৰায় ৭০% লোক প্ৰত্যক্ষ বা পৰোক্ষভাৱে কৃষিৰ লগত জড়িত। কিন্তু লক্ষ্যণীয় কথা এই যে অসমৰ অধিকাংশ লোক কৃষিৰ লগত জড়িত যদিও অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত অভূতপূৰ্ব পৰিৱৰ্তনৰ সৃষ্টি কৰিব পৰা নাই ।অসমৰ কৃষিজাত সামগ্ৰীৰ উৎপাদন নিম্ন মানৰ।২০০৯-১০ চনৰ অৰ্থনীতি আৰু পাৰিসাংখ্যিক সঞ্চালকৰ তথ্য মতে অসমৰ প্ৰায় ২৯ লাখ হেক্টৰ মাটি কৃষি কৰিবৰ বাবে উপযোগী ইয়াৰে কিন্তু ৮৮% মাটিত কৃষি কৰা হয় বাকী ১২% মাটি পতিত হৈ ৰয়। অসমৰ কৃষকৰ কৃষিৰ ওপৰত অনিশ্চয়তাৰ অন্য এক কাৰণ হ’ল

ধান খেতিৰ পৰা আৰম্ভ কৰি চাহ খেতি পৰ্যন্ত প্ৰত্যেক ঋতুত উপযুক্ত খেতিৰে,মিশ্ৰিত খেতি পদ্ধতিৰ প্ৰয়োগেৰে উপাৰ্জনৰ পথ মুকলি কৰাৰ লগতে দহজনৰ বাবে কৰ্ম সংস্থাপনৰ পথ মুকলি কৰিব পাৰো।

অসমৰ পৰিৱেশ কাঠফুলাৰ খেতিৰ বাবেও উপযুক্ত, খাদ্যৰ বাবে উপযোগী কাঠফুলাৰ খেতিৰ জৰিয়তে কৰ্মসংস্থাপন লাভ কৰিব পৰা যায়।

উৎপাদিত দ্ৰব্যৰ প্ৰকৃত বজাৰ আৰু মূল্যৰ অভাৱ। তেনেবোৰ কাৰণতেই নৱপ্ৰজন্মৰ বহুতেই কৃষিৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ শংকিত হয়।

নৱপ্ৰজন্মৰ মাজত চৰকাৰী চাকৰিয়েই কৰ্ম সংস্থাপনৰ মূল বুলি এক ধাৰণা গঢ় লৈ উঠিছে, যি ধাৰণা বৰ্তমানেও অধিকসংখ্যক নৱপ্ৰজন্মৰ মাজত দেখা পোৱা যায়।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ যুগত আমি কৰ্ম সংস্কৃতি গঢ় দি কৰ্ম সংস্থাপনৰ পথ নিজেই মুকলি কৰাৰ প্ৰয়াস কৰিব লাগিব। সেউজীয়াৰ আশীৰ্বাদপ্ৰাপ্ত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত আমি কৃষিৰ জৰিয়তে নিজৰ পৰিচয় গঢ়ি তুলিব পৰাকৈ কৃষিৰ দ্বাৰা স্বাৱলম্বী হোৱাৰ বহু পথ বাছি ল'ব পাৰোঁ।

সমীপৰ কৃষি বিজ্ঞান কেন্দ্ৰত কৃষিভূমিৰ পৰীক্ষা কৰি কেনেধৰণৰ খেতিৰ বাবে আমাৰ কৃষিভূমি উপযোগী সেই বিষয়ে তথ্য আহৰণ কৰিব পাৰোঁ। কৃষিবিজ্ঞান কেন্দ্ৰৰ পৰামৰ্শ মতে আমি উন্নত জাতৰ বীজ ৰোপণ কৰাৰ লগতে বৈজ্ঞানিক কৃষি পদ্ধতিৰ প্ৰয়োগৰ দ্বাৰা অধিক উৎপাদন লাভ কৰি অৰ্থনৈতিক বিকাশ সাধন কৰিব পাৰোঁ।

ধান খেতিৰ পৰা আৰম্ভ কৰি চাহ খেতি পৰ্যন্ত প্ৰত্যেক ঋতুত উপযুক্ত খেতিৰে,মিশ্ৰিত খেতি পদ্ধতিৰ প্ৰয়োগেৰে উপাৰ্জনৰ পথ মুকলি কৰাৰ লগতে দহজনৰ বাবে কৰ্ম সংস্থাপনৰ পথ মুকলি কৰিব পাৰো।

অসমৰ পৰিৱেশ কাঠফুলাৰ খেতিৰ বাবেও উপযুক্ত, খাদ্যৰ বাবে উপযোগী কাঠফুলাৰ খেতিৰ জৰিয়তে কৰ্মসংস্থাপন লাভ কৰিব পৰা যায়।

অসমৰ কোনো কোনো অঞ্চলত সাঁচি গছ বহু পৰিমাণে হোৱা দেখা যায়।তেনে মূল্যৱান গছৰ ব্যৱসায়িক ভিত্তিত উৎপাদনৰ জৰিয়তে কৰ্মসংস্থাপনৰ উপায় সৃষ্টি কৰিব পাৰি।

বৰ্তমান সময়ত দক্ষিণ ভাৰতত উৎপাদিত উদ্ভিদো অসমত উপলব্ধ হ'বলৈ লৈছে। এই উদ্ভিদসমূহৰ ভিতৰত ক'কৱা অন্যতম। ক'কৱা গছৰ খেতিৰ দ্বাৰা আৰ্থিক উৎপাদন যথেষ্ট উন্নত মানৰ হয়।

মহামাৰীৰ সময়ে আমাক এই শিক্ষা দি গ'ল যে চহৰমুখী বাটত এখন বাধা দিয়া নদীৰ প্ৰয়োজন। সেই নৈখন নৱপ্ৰজন্মই বোৱাব লাগিব।

ন-সূৰুয উদয় হ'লে প্ৰথম পোহৰ গাঁৱত পৰিব লাগিব। এক বিপ্লৱ সূচনা হ'লে তেতিয়াহে সফল হ'ব যেতিয়া সেই বিপ্লৱে অসমৰ নৱপ্ৰজন্মক বোকা মাটিৰ পৰা উপাৰ্জন কৰিব পৰা সোণগুটিৰ পথ দেখুৱাব পাৰিব।অসমৰ মাটিক অসমৰ নতুন প্ৰজন্মই যি দিনা সেউজীয়া কৰি ৰাখিবলৈ পণ লৈ দা-কোৰ, নাঙল-যুৱলি লৈ আগবাঢ়ি যাব সেই দিনটোত অসম হৈ পৰিব কৃষিৰ চহকী অসম। জ্যোতি-বিষ্ণুৰ সপোনৰ অসমে সেইদিনটোত বাস্তৱৰ দিশে খোজ দিব।

*লেখিকাৰ ঠিকনা: যোৰহাট*



# অৰণ্যৰ সংকট আৰু বিপন্ন জীৱকুল

সুমিত দাস

***"Look deep into nature,and then you will understand everything better." - Albert Einstein.***

বিশ্ববিশ্ৰুত পদাৰ্থ বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনে প্ৰকৃতি সম্পৰ্কত সাৰগৰ্ভ বক্তব্য আগবঢ়াই গৈছে। প্ৰকৃতি অন্তহীন প্ৰেৰণাৰ উৎস। প্ৰকৃতিৰ কৃপাদৃষ্টিত জীয়াই থকা সকলোবোৰ জীৱ বৈচিত্ৰ্যময়। সিহঁতৰ মাজত বৈচিত্ৰ্য বিদ্যমান। প্ৰকৃতিৰ বুকু লক্ষ-কোটি জীৱৰে সমৃদ্ধ। বিশ্বৰ ১৩-১৪ কোটি জীৱৰ ১.৯ কোটি জীৱৰ সন্ধান পোৱা গৈছে আৰু এই জীৱপ্ৰজাতিবোৰক ইতিমধ্যেই তালিকাভুক্ত কৰা হৈছে। নিতৌ দুই-এক জীৱ আৱিষ্কাৰ হৈ আছে।

বিগত দশকবোৰত এনেহেন বৈচিত্ৰ্যৰে ভৰপূৰ পৃথিৱীৰ বুকুৰ পৰা জীৱবোৰ সংকটৰ সন্মুখীন হৈছে। অনেক জীৱ ভাবুকিগ্ৰস্ত আৰু আসন্ন সংকটৰ দিশে ধাৱমান হৈছে। মানুহৰ অবিবেচক কাৰ্যই বিগত ৫০০ বছৰত ৮৬৯ প্ৰজাতিৰ জীৱক বিলুপ্তিৰ গহ্বৰলৈ ঠেলি দিছে। প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ আন্তঃৰাষ্ট্ৰীয় সংস্থা চমুকৈ IUCNৰ তথ্যমতে অদূৰ ভৱিষ্যতে চাৰিটা স্তন্যপায়ী প্ৰাণীৰ এটা আৰু আঠটা পখীৰ এটাকৈ বিলুপ্তিৰ গহ্বৰলৈ গতি কৰিব। এয়া নিঃসন্দেহে চিন্তনীয় বিষয়।সম্প্ৰতি 'অৰণ্য আৰু জীৱকুলৰ সংকট' গোলকীয় সংকটলৈ পৰ্যবসিত হৈছে। গোলকীয় পৰ্যায়ত এই সংকটক প্ৰতিহত কৰি ইয়াৰ স্থিতাৱস্থা বাহাল ৰাখিবলৈ অনেক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাই বিষয়টোক গুৰুত্বসহকাৰে গ্ৰহণ কৰি প্ৰতিকাৰৰ চিন্তা-চৰ্চা বাহাল ৰাখিছে। ১৯৭৩ চনত ৱাশ্বিংটনত অনুষ্ঠিত বিপন্ন প্ৰজাতিৰ বন্যপ্ৰাণী আৰু উদ্ভিদৰ সৰবৰাহ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় সন্মিলনত (Convention on International Trade in Endangered species of Wild Fauna and Flora) সংকটগ্ৰস্ত জীৱৰ সংৰক্ষণ সম্পৰ্কীয় নীতি-নিৰ্দেশনা প্ৰণয়ন কৰে। ১৯৯২ চনত ব্ৰাজিলৰ ৰিঅ' ডি জেনেইৰ'ত অনুষ্ঠিত জীৱবৈচিত্ৰ্য সন্মিলনতো (Convention on Biological Diversity) এনে নীতি-নিৰ্দেশনা প্ৰণীত হৈছে।



সাম্প্ৰতিক সময়ত দ্ৰুতগতিত বনভূমিৰ সংকোচন আৰু ধ্বংসকাৰ্য অব্যাহত আছে। বৃহৎ পৰিমাণৰ বনভূমি ধ্বংসকাৰ্যই বিবিধ ৰকমৰ জীৱপ্ৰজাতিৰ আবাদীলৈ সংকট নামি আহিছে।বনধবংসই আৱাসভূমিবোৰলৈও অনাহূত সংকট কঢ়িয়াই আনিছে। ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থা(United Nation's Food and Agriculture Organization)ৰ তথ্যমতে বছৰি ১৩ কোটি হেক্টৰ বনভূমি হেৰাই যায়।

বন্যপ্ৰাণী আৰু সিহঁতৰ অংগ-প্ৰত্যংগৰ সৰবৰাহ কাৰ্যই বন্যজীৱৰ সংখ্যা বৃদ্ধি আৰু সংৰক্ষণত হেঙাৰ হৈ থিয় দিছে।কেমটাই পহু (বনৰৌ),গঁড়, গুঁইসাপ, কেঁকোসাপৰ সৰবৰাহ কাৰ্যৰ বাতৰিয়ে সাম্প্ৰতিক সময়ত বাতৰিকাকতৰ শিৰোনাম দখল কৰা পৰিলক্ষিত হয়।এইবোৰ কাৰকৰ উপৰি প্ৰাকৃতিক পৰিৱেশত বিভিন্ন কাৰণত গজি উঠা আগ্ৰাসী/আক্ৰমণাত্মক (invasive) উদ্ভিদবোৰে থলুৱা (endemic) উদ্ভিদ প্ৰজাতিবোৰৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনে। বিভিন্ন কাৰণত সংকটগ্ৰস্ত জীৱসমূহৰ সংকটবেলাত জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধি নিতান্তই প্ৰয়োজনীয়।

*লেখকৰ ঠিকনা: ছৈখোৱাঘাট, তিনিচুকীয়া*



# আশাৰ ২০২২ আৰু ৰাষ্ট্ৰসংঘৰ পৰিৱেশ পৰিকল্পনা

মানস প্ৰতিম দত্ত

ৰাষ্ট্ৰসংঘই অহা ১০ বছৰত কিদৰে পৰিস্থিতিতন্ত্ৰক পুনৰুদ্ধাৰ কৰিব পাৰি তাৰ বাবে ৮টা পৰিস্থিতিতন্ত্ৰ পুনৰুদ্ধাৰ পৰিকল্পনা কৰিছে। এই আঠটা হৈছে – খেতিপথাৰ পৰিস্থিতিতন্ত্ৰ, অৰণ্য পৰিস্থিতিতন্ত্ৰ, তৃণভূমি পৰিস্থিতিতন্ত্ৰ, অলৱণ জলৰ পৰিস্থিতিতন্ত্ৰ, পাৰ্বত্য পৰিস্থিতিতন্ত্ৰ, সামুদ্ৰিক পৰিস্থিতিতন্ত্ৰ, নগৰাঞ্চল পৰিস্থিতিতন্ত্ৰ, আদি।

খেতিপথাৰত অত্যধিক ৰাসায়নিক সাৰ প্ৰয়োগে মাটি, পানী দূষিত কৰাৰ লগতে গোলকীয় উষ্ণতা বৃদ্ধিতো অৰিহণা যোগায়। খেতিপথাৰ পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰৰ বাবে কৃত্ৰিম সাৰৰ পৰিৱৰ্তে জৈৱিক সাৰ প্ৰয়োগ কৰাৰ লগতে কম মাটিত সমন্বিত কৃষি পদ্ধতিত গুৰুত্ব দিব লাগিব। এনেধৰণে বেলেগ বেলেগ খেতি কৰিলে মাটিত কাৰ্বনৰ পুনৰ্নিৰ্মাণ হ'ব আৰু মাটিৰ গুণাগুণৰ পৰিসৰ বৃদ্ধি পাব।

মানুহে ব্যক্তিগত স্বাৰ্থ আৰু সম্পদৰ লোভত বননি ধ্বংস কৰি গৈছে। বনধ্বংসৰ পৰা পৃথিৱীক সুৰক্ষিত কৰিবৰ বাবে পূৰ্বতে সেই ঠাইত যিধৰণৰ উদ্ভিদ আছিল সেই প্ৰজাতিৰ উদ্ভিদ ৰোপনৰ ব্যৱস্থা কৰিব লাগে। জনসংখ্যা ৰোধৰ কাৰ্যকৰী পদক্ষেপৰ জৰিয়তেও অৰণ্য ধ্বংসৰ পৰিমাণ ৰোধ কৰিব পৰা যায়। অব্যৱহৃত ঠাইসমূহত ক্ষুদ্ৰ ক্ষুদ্ৰ অৰণ্য সৃষ্টি কৰিও অৰণ্য পৰিস্থিতিতন্ত্ৰ পুনৰুদ্ধাৰ কৰিব পাৰি।

নদী আৰু হ্ৰদত স্বচ্ছ আৰু অধিক পৰিমাণৰ পানী থকা উচিত যদিও প্ৰদূষণ, মাছ চিকাৰ, ঔদ্যোগিক জলসিঞ্চনৰ ফলত পানীৰ স্বচ্ছতা হ্ৰাস পাই আহিছে। ইয়াৰ উপৰি আমি ঘৰত হকে-বিহকে পানী নষ্ট কৰাৰ ফলতো পৰিস্থিতিতন্ত্ৰৰ অৱক্ষয় ঘটিছে। এইক্ষেত্ৰত উদ্ভিদ আৰু নদীৰ মাজৰ সমন্বয় গঢ়ি তুলিবলৈ উদ্যোগ ল'ব লাগিব। আমি সকলোৱে জানো যে বহুতো মাছে ক্ষুদ্ৰ ক্ষুদ্ৰ পোক-পতংগ খায়। গতিকে নদীকাষৰীয়া ঠাইত এনে পতংগই বসবাস কৰিব পৰা উদ্ভিদ ৰোপণৰ উদ্যোগ ল'ব লাগিব।

পাৰ্বত্য অঞ্চলৰ পৰিস্থিতিতন্ত্ৰ সুৰক্ষাৰ বাবে জংঘলক পুনৰ্জীৱিত কৰাটো অতিকে প্ৰয়োজনীয়। ইয়াৰ ফলত বহুতো প্ৰাকৃতিক দুৰ্ঘটনাৰ পৰিমাণ হ্ৰাস পাব পাৰে। এনে অঞ্চলত পদপথ নিৰ্মাণ কৰিবলগীয়া হ'লে সকলো অধ্যয়ন সুচাৰুৰূপে পালন কৰাৰ লগতে যাতে জীৱসমুদায়ৰ ওপৰত প্ৰভাৱ নপৰে তাক কঠোৰভাৱে নিৰীক্ষণ কৰিব লাগে।

সাগৰীয় অঞ্চলত অধিক প্ৰদূষণ আৰু জলবায়ু পৰিৱৰ্তনৰ বাবে এন পৰিস্থিতিতন্ত্ৰসমূহ প্ৰভাৱিত হৈছে। সাগৰীয় উদ্ভিদৰ পুনঃবনানীকৰণ আৰু বহনক্ষম মাছ ধৰাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। এই সাগৰীয় উদ্ভিদবোৰ মানৱ সমাজৰ বাবে আশীৰ্বাদস্বৰূপ। ই ক্ৰান্তীয় অৰণ্যতকৈ ৩৫% অধিক কাৰ্বন গ্ৰহণ কৰে।

আৰ্দ্ৰভূমি পৰিস্থিতিতন্ত্ৰত থকা কাৰ্বন আৰু পানীৰ ভাণ্ডাৰসমূহ আঁতৰাই ইয়াক খেতিৰ মাটিলৈ পৰিৱৰ্তন কৰাৰ ফলত প্ৰদূষণৰ পৰিমাণ বৃদ্ধি পাইছে। ইয়াক পুনৰুদ্ধাৰৰ বাবে পুনৰ পানীৰে পৰিপূৰ্ণ কৰাটো অতি জৰুৰী। কিয়নো কাৰ্বনক মাটিৰ তলৰ পৰা এনেদৰে মুক্ত কৰি দিয়াৰ ফলত জলবায়ু পৰিৱৰ্তনে ভয়াৱহ ৰূপ ধাৰণ কৰিছে।

নগৰাঞ্চলৰ পৰিস্থিতিতন্ত্ৰলৈ চালে দেখা পোৱা যায় যে এন অঞ্চলত গছ-গছনিৰ পৰিমাণ তেনেই সেৰেঙা। প্ৰায় নাই বুলিবই পাৰি। ফলত আৱৰ্জনা আৰু প্ৰদূষণৰ কবলত পৰি এই অঞ্চলসমূহত মাটি, বায়ু আৰু পানী প্ৰদূষণ অত্যধিক পৰিমাণে বৃদ্ধি পাইছে। ইয়াৰ বাবে নগৰাঞ্চলৰ সেউজকৰণ, আৱৰ্জনা নিষ্কাশনক ব্যৱহাৰিক জীৱনৰ সৈতে সংপৃক্ত কৰিব লাগিব।

অভয়াৰণ্য স্বীকৃতি আৰু বনভূমি উন্নীতকৰণঃ অসমৰ চিৰসেউজ আভৰণখন বৰ্তাই ৰখাৰ স্বাৰ্থত বনভূমি সুৰক্ষিত কৰি ৰাখিবৰ বাবে ৰাষ্ট্ৰসংঘৰ পৰিকল্পনাসমূহ বাস্তৱায়িত কৰাৰ উপৰি অসম চৰকাৰে বন সুৰক্ষাৰ সমান্তৰালভাৱে পবা বনাঞ্চল আৰু বিহালী বনাঞ্চল সুৰক্ষাৰ বাবে অসমীয়া ৰাইজে দীৰ্ঘদিন ধৰি কৰি অহা দাবীক ন্যায্যতা দিয়াটোও জৰুৰী।

**পবা বনাঞ্চলঃ** দিহিং-পাটকাইৰ উপৰি ধেমাজি জিলাৰ জোনাইত অৱস্থিত পবা বৰ্ষাৰণ্যক অভয়াৰণ্য হিচাপে স্বীকৃতি দিবলৈ জনোৱা দাবীও আজি দাবী হৈয়ে আছে। ১৯২৪ চনতে ব্ৰিটিছে সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা পবাৰ চৰিত্ৰসমূহত বৰ্ষাৰণ্যৰ চৰিত্ৰ লক্ষ্য কৰা হয় আৰু ইয়াক বৰ্ষাৰণ্য হিচাপে চিনাক্ত কৰা হয়। দুই শতাধিক বনৰীয়া চৰাইৰ বিচৰণভূমি, কুৰিৰো অধিক স্তন্যপায়ী, ১৫টাৰো অধিক উভচৰ আৰু সৰীসৃপ প্ৰজাতিৰ বিচৰণভূমি পবাক অভয়াৰণ্য হিচাপে স্বীকৃতি দিবলৈ নেচাৰ্চ বেকন, সদৌ অসম ছাত্ৰ সন্থা, সদৌ মিচিং ছাত্ৰ সন্থাৰ জোনাই সমিতি, ধেমাজি জিলা পবা সুৰক্ষা সমিতি, ছেভ পবা ৰেইনফৰেষ্ট আদি সংগঠনে জনসজাগতা সৃষ্টিৰ উদ্যোগ লৈছে। ইছৰ'ৰ জৰীপ অনুসৰি ১৯৮৮-৮৯ চনত অসমত থকা ২১.৯৮% বনাঞ্চল ধ্বংসৰ কবলত পৰি ২০০৬ চনত ২১.০২% হৈছিলগৈ। ইয়াৰ উপৰি বহু সময়ত কৃষিভূমি চৰকাৰে কৰ্প'ৰেট গোষ্ঠীক গতাই দিয়াৰ ফলত উপায়হীন হৈ কৃষকে বনাঞ্চল ধ্বংসৰ দৰে অসাংবিধানিক কাম কৰিবলৈয়ো ভয় নকৰা হৈছে। চাহ-বাগান গঢ়াৰ নামত বন ধ্বংসৰ বাতৰিও বিভিন্ন সময়ত পঢ়িবলৈ পোৱা গৈছে। জীৱবৈচিত্ৰ্যৰ অপূৰ্ব ভঁৰাল এই বৰ্ষাৰণ্যসমূহ সংৰক্ষণ কৰিবলৈ হ'লে ইয়াক অভয়াৰণ্যৰ স্বীকৃতি দিবই লাগিব।

পবাৰ লগতে বিশ্বনাথ জিলাৰ বিহালী বনাঞ্চলো জীৱবৈচিত্ৰ্যৰ অপূৰ্ব ভাণ্ডাৰ। এই বনাঞ্চলখনো বন্যপ্ৰাণী অভয়াৰণ্য স্বীকৃতি পোৱাৰ যোগ্য। ইয়াৰ লগতে অন্য জীৱিত অৰণ্যসমূহ সুৰক্ষিত কৰিবলৈ বন বিভাগ আৰু অসম চৰকাৰে পৰিকল্পিত, ইতিবাচক উদ্যোগ গ্ৰহণেৰে ২০২২ বৰ্ষটো অৰণ্য সুৰক্ষাৰ অনন্য বৰ্ষ হিচাপে গঢ়ি তুলিব বুলি আমি আশাবাদী।